**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-11-2025
**Time :** 17-15 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসম বিধানসভাৰ শীতকালীন অধিৱেশন আজি দ্বিতীয় দিনা ১৫ খন ন-পুৰণি বিধেয়ক সদনত উত্থাপন হয়। ইয়াৰ ভিতৰত আছে ৩ খন নতুন আৰু ১২ খন সংশোধনী বিধেয়ক। সদনত উত্থাপন হোৱা নতুন বিধেয়ক অনুসৰি ৰাজ্যত নেৰিম আৰু আজিম প্ৰেমজী বিশ্ববিদ্যালয়ৰ নামেৰে দুখন নতুন বিশ্ববিদ্যালয় হ'ব। আনহাতে আজি সদনত অপ্ৰাদেশিকীকৃত শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ সংশোধনী বিধেয়ক উত্থাপন কৰা হয়। অপ্ৰাদেশিকীকৃত শিক্ষক-কৰ্মচাৰীৰ প্ৰাদেশিকীকৰণৰ বাবে পূৰ্বতে আইনত যিসমূহ চৰ্ত আছিল সেইসমূহৰ অধিকাংশ চৰ্ত শিথিলকৰণৰ বাবে আজি সদনত উত্থাপন হোৱা এই ২০২৫ৰ নিৰ্দিষ্ট সংশোধনী বিধেয়কখনৰ জৰিয়তে শিক্ষা বিভাগে প্ৰস্তাৱ দিছে। এই সংশোধনী বিধেয়ক পাৰিত হ'লে অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানত বছৰৰ পাছত বছৰজুৰি বিনা বেতনে সেৱা আগবঢ়াই অহা শিক্ষক-কৰ্মচাৰীৰ পদসমূহ শীঘ্ৰেই প্ৰাদেশিকীকৰণ হ'ব। এই বিধেয়কখনৰ উপৰি শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানৰ মাচুল নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক, মিচিং স্বায়ত্তশাসিত সংশোধনী বিধেয়ক, ৰাভা হাচং স্বায়ত্তশাসিত সংশোধনী বিধেয়ক, তিৱা স্বায়ত্তশাসিত সংশোধনী বিধেয়ক, দেউৰী স্বায়ত্তশাসিত সংশোধনী বিধেয়ক, সোণোৱাল কছাৰী স্বায়ত্তশাসিত সংশোধনী বিধেয়ক, বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত সংশোধনী বিধেয়ক সদনত উত্থাপন কৰে।

**বাইট (ডা০ ৰণোজ পেগু)**

০০০০

ভাৰত-বাংলাদেশ সীমান্তৰ অসম সংলগ্ন ২৬৭ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ২২৮ দশমিক ৫-৪ কিলোমিটাৰ অংশত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। আজি অসম বিধানসভাৰ প্ৰশ্নোত্তৰ কালত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই কয়, যে ৰাজ্যখনৰ ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, কাছাৰ আৰু শ্ৰীভূমি জিলাৰ সৈতে থকা আন্তৰ্জাতিক সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰা দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে শ্ৰীভূমি জিলাৰ কুচিয়াৰা নদীৰ পাৰত ভাৰতীয় লোকৰ বসতি থকা ৪ দশমিক ৩-৫ কিলোমিটাৰ অংশত বাংলাদেশৰ সীমান্তৰক্ষী বাহিনী পি জি বিৰ আপত্তিৰ বাবে কাঁইটীয়া তাঁৰৰ বেৰা দিব পৰা হোৱা নাই। সীমান্তৰ নদী অঞ্চলসমূহত বি এছ্ এফে চি আই বি এম-এছ্ নামৰ বিশেষ প্ৰণালী আৰু নৌকা পৰ্য্যবেক্ষণ চকীৰে জলভাগৰ সীমান্ত নিৰীক্ষণ কৰি আহিছে। একেগৰাকী সদস্যৰ আন এটা প্ৰশ্নৰ উত্তৰত অসম চুক্তি ৰূপায়ণ মন্ত্ৰী শ্ৰীবৰাই কয়, যে ২০২১ চনৰ পৰা এই বছৰৰ ৩১ অক্টোবৰলৈকে মুঠ ৩২ হাজাৰ ২০৭ গৰাকী বিদেশী নাগৰিকক চিনাক্ত কৰা হৈছে আৰু ইয়াৰে এহেজাৰ ৪১৬ জনক বহিষ্কাৰ কৰা হৈছে।

০০০০

আজি সংবিধান দিৱস। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সংবিধান দিৱস উপলক্ষে নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত সংবিধানৰ প্ৰস্তাৱনা পাঠৰ গুৰি ধৰে। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে সংবিধান ৰাষ্ট্ৰীয় পৰিচয়ৰ ভেটিস্বৰূপ আৰু ই ৰাষ্ট্ৰক ঔপনিৱেশিক মানসিকতাক পৰিহাৰ কৰি ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে আগুৱাই লৈ যোৱাৰ পথ প্ৰদৰ্শক পৰিকাঠামো। সংবিধান দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতিগৰাকীয়ে সংবিধানৰ অসমীয়া, বড়ো, মালায়ালম, মাৰাঠী, নেপালী, পাঞ্জাৱী, কাশ্মিৰী, তেলেগু আৰু উড়িয়া ভাষালৈ অনুদিত সংস্কৰণ উন্মোচন কৰে। এই উপলক্ষে পঞ্চায়তীৰাজ মন্ত্ৰালয়ে আজি সমগ্ৰ দেশতে তিনি-তৰপীয়া পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু স্থানীয় গ্ৰামীণ পৰিচালনা সমিতিসমূহে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰে। ইয়াৰ লগতে সকলো কৰ্মচাৰীৰ বাবে **ন' ইওৰ কনষ্টিটিউচন** বিষয়ত কুইজ আৰু ৰচনা প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। দেশৰ সকলো গাঁও পঞ্চায়তৰ সদস্যসকলে স্থানীয় ভাষাত প্ৰস্তাৱনা পাঠ কৰাৰ লগতে সংবিধানৰ সৈতে জড়িত বিভিন্ন আলোচনা আৰু কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। অসমতো আজি সংবিধান দিৱসৰ কাৰ্যসূচী ৰূপায়ন কৰা হয়।

গোৱালপাৰা জিলাত আজি জিলা প্ৰশাসনৰ উদ্যোগত সংবিধানৰ প্ৰস্তাৱনা আনুষ্ঠানিকভাৱে পাঠ কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলাখনৰ আয়ুক্ত প্ৰদীপ  টিমুঙে বন্তি প্ৰজ্বলন কৰি সংবিধানৰ প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ  প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি জিলা আয়ুক্ত কাৰ্যালয়ৰ বিষয়া কৰ্মচাৰীসকলে সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰে। সংবিধান দিৱস উপলক্ষে আজি বজালী জিলাৰ পাঠশালাৰ আনন্দৰাম বৰুৱা স্নাতক মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপন কোষৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। বৰপেটা জিলাতো আজি সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান আদিত সংবিধান দিৱস পালন কৰা হয়।

০০০০

আজি ৰাষ্ট্ৰীয় দুগ্ধ দিৱস। ভাৰতবৰ্ষত শ্বেত বিপ্লৱৰ সূচনা কৰা  দুগ্ধ মানৰ উপাধিৰে বিভুষিত ডং ভাৰ্গিছ কুৰিয়ানৰ জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ২৬ নৱেম্বৰৰ দিনটোক দুগ্ধ দিৱস উদযাপন কৰা হয়। **দুগ্ধ আৰু দুগ্ধজাত খাদ্যৰ শক্তিক উদযাপন কৰো আহক** শীৰ্ষক বিষয়বস্তুৰে এইবাৰ ৰাষ্ট্ৰীয় দুগ্ধ দিৱস উদযাপন কৰা হৈছে। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

নতুন দিল্লীতো এই দিৱস উপলক্ষে আয়োজিত এটা অনুষ্ঠানত মীন, পশুপালন আৰু দুগ্ধ উৎপাদন বিভাগৰ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে ৰাষ্ট্ৰীয় গোপাল ৰত্ন বঁটা ২০২৫ প্ৰদান কৰে। একেটা কাৰ্যসূচীতে বিভাগটোক অধিক উজ্জীৱিত কৰাৰ লক্ষ্যৰে কেইবাটাও বিশেষ প্ৰকল্পৰো উদ্বোধন কৰা হয়।

০০০০

সমাপ্ত